**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-04-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL EVENING BULLETIN***

**::::::::::::::::::::::::::::::::::::**

## HEADLINES

১। উত্তৰ-পূৰ্বাঞ্চলৰ নিৰাপত্তা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ ৮০ শতাংশ এলেকাৰ পৰা সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উত্তৰ লখিমপুৰৰ নিৰ্বাচনী সভাত মন্তব্য। কাজিৰঙাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, মাৰ্ঘেৰিটাত আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ।

২। দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ টা সমষ্টিত হ'বলগীয়া দ্বিতীয় পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনত এহেজাৰ ২১০ গৰাকী প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতা নিশ্চিত বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

৩। সমাগত নিৰ্বাচনৰ বাবে ৰাজ্যৰ বিভিন্ন জিলাত প্ৰশাসনৰ ভোটদাতাক সজাগ কৰাৰ বাবে ব্যাপক কাৰ্যসূচী।

৪। ৰঙালী বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উৎসাহ-উদ্দীপনাৰে আয়োজনৰ প্ৰস্তুতি। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পঞ্জাৱ কিংছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ তাৰকা প্ৰচাৰকসকলৰ আগমণ ঘটিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি উত্তৰ লখিমপুৰৰ এখন জনসভাত অংশগ্ৰহণ কৰে। লখিমপুৰ লোকসভা সমষ্টিৰ চুকুলীভৰীয়াত সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ সমৰ্থনত এখন জনসভাক সম্বোধন কৰি শ্ৰী শ্বাহে কয় যে, উত্তৰ পূৰ্বাঞ্চলে দেশৰ সফলতাৰ কাহিনী হিচাপে আত্মপ্ৰকাশ কৰিছে। বিগত ১০ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৯ হাজাৰ ৫০০ ৰো অধিক উগ্ৰপন্থী সদস্য আত্মসমৰ্পণ কৰি সমাজৰ মূলসুঁতিলৈ উভতি আহিছে বুলি তেওঁ মন্তব্য কৰে। অঞ্চলটোৰ নিৰাপত্তা পৰিস্থিতি উন্নত হোৱাৰ পৰিপ্ৰেক্ষিতত সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন উত্তৰ পূবৰ ৮০ শতাংশ এলেকাৰ পৰা প্ৰত্যাহাৰ কৰা হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

***বাইট***

তেওঁ কয় যে, প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতত সৰ্বাত্মক বিকাশ হোৱাৰ লগতে আইন শৃংখলা পৰিস্থিতি কটকটীয়া হৈছে। এই কাৰ্যসূচীত দলৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা,সমষ্টিটোৰ প্ৰাৰ্থী প্ৰদান বৰুৱাৰ লগতে ভালেসংখ্যক দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

শ্ৰী শ্বাহে আজি কিছুসময় পূৰ্বে তিনিচুকীয়াৰ চলিহা নগৰৰ পৰা থানা চাৰিআলিলৈ এটা পথযাত্ৰাত অংশ লৈছে। ডিব্ৰুগড় সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হৈ গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰচাৰ কাৰ্যসূচীত অংশ লৈছে। এই সমষ্টিটোত বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈ আৰু আম আদমী পাৰ্টিৰ প্ৰাৰ্থী মনোজ ধানোৱাৰে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কাজিৰঙা সমষ্টিত আজি কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলৰ হৈ দলৰ সভাপতি ভূপেন কুমাৰ বৰাই পৰ্চাৰ চলায়।

ইপিনে আম আদমী পাৰ্টীৰ নেত্ৰী আতিশীয়ে কালি দুলিয়াজানত দলীয় প্ৰাৰ্থী মনোজ ধানোৱাৰৰ হৈ প্ৰচাৰ চলোৱাৰ পাছত আজি মাৰ্ঘেৰিটাত জনসভাত অংশ লয়। তেওঁ কাইলৈ তেজপুৰত দলীয় প্ৰাৰ্থী ঋষিৰাজ কৌণ্ডিন্যৰ হৈ প্ৰচাৰ চলোৱাৰ কথা।

কংগ্ৰেছ দলৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ সমৰ্থনত ব্যাপক প্ৰচাৰ অব্যাহত আছে। ইপিনে, সমষ্টিটোৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে শিৱসাগৰত চাৰিখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। আনহাতে, ধুবুৰী লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰকিবুল হুছেইনে আজি বৰপেটা জিলাৰ বিভিন্ন স্থানত প্ৰচাৰ চলায়। উল্লেখযোগ্য যে, সমষ্টি পুনৰনিৰ্ধাৰণ ফলত বৰপেটা জিলাৰ মন্দিয়া আৰু চেংগা বিধানসভা সমষ্টি ধুবুৰী লোকসভা সমষ্টিৰ অন্তৰ্গত হৈছে। ৰাজ্যখনত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ভোটগ্ৰহণ হ'বলগীয়া ৫টা সংসদীয় সমষ্টিৰ বাবে মুঠ ৩৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

মাজুলীত আজি মন্ত্ৰী পীযুষ হাজৰিকাই বিজেপি মিত্ৰজোঁটৰ যোৰহাট সমষ্টিৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। মন্ত্ৰীগৰাকীয়ে পূব মাজুলীৰ বনগাঁও উচ্চ বুনিয়াদী বিদ্যালয়ৰ খেলপথাৰত প্ৰথমখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই সভাত কংগ্ৰেছ দলৰ কেইবাগৰাকী কৰ্মীয়ে বিজেপিত যোগ দিয়ে। মন্ত্ৰীগৰাকীয়ে নামনি মাজুলীৰ চিলাকলা পঞ্চায়তৰ অন্তৰ্গত কাকৰীকটা গাঁৱত দ্বিতীয়খন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আজি তিনিচুকীয়াত ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সোণোৱালৰ হৈ প্ৰচাৰ চলায়।

শিৱসাগৰ জিলাৰ ৰাজীৱ ভৱনত আজি কংগ্ৰেছ দলে এখন সংবাদমেলৰ আয়োজন কৰি দলৰ গেৰাণ্টি কাৰ্ড আৰু ইস্তাহাৰ সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। এই সংবাদমেলত দলৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন সিকদাৰে কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ গঠন হ'লে জাতিগত পিয়লৰ ক্ষেত্ৰত দলটোৱে ক্ষীপ্ৰতাৰে কাম কৰিব বুলি মত প্ৰকাশ কৰে।

মৰিয়নী সমষ্টিত যোৰহাট জিলা বিজেপিয়ে আজি মাণ্ডলিক মুখ্য নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰে।

ইপিনে, কোকৰাঝাৰ লোকসভা সমষ্টিৰ চিৰাং জিলাৰ বিজনীত আজি বিজেপি মিত্ৰজোঁটৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস আৰু বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো উপস্থিত থাকে।

০০০০০০

নিৰ্বাচন আয়োগে কৈছে যে, দেশৰ ১৩ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ টা সমষ্টি সামৰি হ'বলগীয়া দ্বিতীয় পৰ্য্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে এহেজাৰ ২১০ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। এই সমষ্টিকেইটাৰ বাবে মুঠ দুহেজাৰ ৬৩৩ খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল। পৰীক্ষাৰ অন্তত এহেজাৰ ৪২৮ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আছিল। দ্বিতীয় পৰ্য্যায়ৰ বাবে ২৬ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্য্যায়ত কেৰালাৰ ২০ টা সংসদীয় সমষ্টিৰ বাবে সৰ্বাধিক ৫০০ আৰু কৰ্ণাটকৰ ১৪ টা সমষ্টিৰ বাবে ৪৯১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

০০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক বিধি বলবৎকাৰী সঞ্চালকালয়ে গ্ৰেপ্তাৰ কৰা সন্দৰ্ভত প্ৰত্যাহ্বান জনাই দাখিল কৰা এখন আবেদন দিল্লী উচ্চ ন্যায়ালয়ে নাকচ কৰে। উচ্চ ন্যায়ালয়খনৰ ন্যায়াধীশ স্বৰ্ণকান্ত শৰ্মা আদলতে কয় যে, এই গ্ৰেপ্তাৰ সন্দৰ্ভত সঞ্চালকালয়ৰ পদক্ষেপ অবৈধ নাছিল। উল্লেখযোগ্য যে যোৱা ২১ মাৰ্চত বিধি বলবৎকাৰী সঞ্চালকালয়ে দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীক গ্ৰেপ্তাৰ কৰাৰ পাছত উচ্চ ন্যায়ালয়ে যোৱা এক এপ্ৰিলত কেজৰিৱালক ১৫ এপ্ৰিল পৰ্যন্ত ন্যায়িক জিম্মাত ৰখাৰ বাবে ৰায় দিছিল

০০০০০০

নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা জাননীৰ বৈধতা সন্দৰ্ভত আজি উচ্চতম ন্যায়ালয়ত শুনানি গ্ৰহণ কৰাৰ কথা আছিল যদিও আজি বিষয়টো উত্থাপিত নহ'ল। কেন্দ্ৰীয় চৰকাৰে যোৱা ১১ মাৰ্চত জাৰি কৰা নিৰ্দেশনাৱলী স্থগিত ৰাখিবলৈ অসম সন্মিলিত মহাসংঘৰ লগতে বিভিন্ন পক্ষই দাখিল কৰা ২০ খন আবেদনৰ পৰিপ্ৰেক্ষিতত এই শুনানি গ্ৰহণৰ কথা আছিল। উল্লেখযোগ্য যে, উচ্চতম ন্যায়ালয়ত নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ২৩৭টা গোচৰ বিচাৰাধীন হৈ আছে।

০০০০০০

উচ্চতম ন্যায়ালয়ে কাছাৰৰ দ'লু চাহ বাগিচাত গ্ৰীণ ফিল্ড বিমান বন্দৰৰ নিৰ্মাণৰ ক্ষেত্ৰত উপযুক্ত পাৰিপাৰ্শ্বিক অৱস্থা বজাই ৰখাৰ নিৰ্দেশ দিয়ে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত তিনিজনীয়া বিচাৰপীঠে প্ৰস্তাৱিত গ্ৰীণ ফিল্ড বিমান বন্দৰ এলেকাত কোনোধৰণৰ পাৰিপাৰ্শ্বিক প্ৰভাৱৰ মূল্যায়ন নকৰাকৈ কিদৰে চাহ গছ উভালি পেলোৱা হ'ল , সেই সন্দৰ্ভত অসম চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে। আদালতে শুনানি গ্ৰহণৰ সময়ত এই বিমান বন্দৰ সন্দৰ্ভত কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰালয়ৰ উপৰি সংশ্লিষ্ট সকলো পক্ষলৈ জাননী জাৰি কৰিছে।

০০০০০০

আসন্ন লোকসভা নিৰ্বাচন উপলক্ষে চৰাইদেউ নিৰ্বাচনী জিলাৰ প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী অংশগ্ৰহণ ছুইপ কোষৰ উদ্যোগত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত দিব্যাংগ ব্যক্তিসকলৰ সুবিধাৰ্থে ভাৰতীয় নিৰ্বাচন আয়োগে মুকলি কৰা **সক্ষম এপ**ৰ সন্দৰ্ভত এটি প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত উপস্থিত থাকি অতিৰিক্ত জিলা আয়ুক্ত শ্ৰাৱনা সোণোৱালে কয় যে দিব্যাংগ ব্যক্তি আৰু ৮৫ বছৰ বয়সৰ উৰ্ধৰ ভোটদাতাসকলৰ বাবে নিৰ্বাচন আয়োগে **সক্ষম এপ**ৰ জৰিয়তে বিভিন্ন সুবিধা প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ যাওতে তেওঁলোক যাতে কোনো অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয়, তাৰ বাবে নিজৰ ম'বাইল ফোনতে উপলব্ধ **সক্ষম এপ**ৰ জৰিয়তে আবেদন কৰিব পাৰিব।

আনহাতে ছুইপ কোষৰ উদ্যোগত জিলাখনত যোৱা ৬ এপ্ৰিলৰ পৰা এলানি বিশেষ প্ৰচাৰ কাৰ্যসূচীৰ জৰিয়তে চাহ বাগিচা অঞ্চল তথা নতুন ভোটদাতা সকলৰ মাজত ভোটদান সন্দৰ্ভত সজাগ বৃদ্ধিৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। আজি অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অন্তৰ্গত জীৱিকা সখী আৰু কৃষি সখীসকলে ভোটাৰ ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ উদ্দেশ্যে মটৰ চাইকেল ৰেলীৰ আয়োজন কৰে।

আনহাতে, লখিমপুৰ ডায়েট আৰু লখিমপুৰ ছোৱালী মহাবিদ্যালয়ত আজি লখিমপুৰ জিলা নিৰ্বাচন বিষয়াৰ উদ্যোগত ভোটাৰ সজাগতা কাৰ্যসূচীৰ অংশ হিচাপে আয়োজিত বিশেষ অনুষ্ঠানত ছুইপৰ ৰাজ্যিক আইকন অভিনেতা সিদ্ধাৰ্থ শৰ্মা আৰু দ্বীপজ্যোতি কেওটে অংশগ্ৰহণ কৰে। তাৰোপৰি কাৰ্যসূচীৰ অংশ হিচাপে লখিমপুৰৰ কলেজ চাৰিআলি, পূব চানমাৰি, চাপৰিগাঁও আৰু মৈদমীয়াত বাটৰ নাট অনুষ্ঠিত কৰা হয়।

ইপিনে ধুবুৰী নিৰ্বাচন জিলাত ছুইপ কোষৰ উদ্যোগত ভোটাৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে পুৰা গৌৰীপুৰৰ মহামায়া খেলপথাৰত মানৱ শৃংখল গঠন কাৰ্যসূচীৰ আয়োজন কৰা হয়। আত্মসহায়ক গোটৰ প্ৰায় এহেজাৰ ৫০০ গৰাকী সদস্যাই শাৰী পাতি মানৱ শৃংখল গঠন কৰা দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে।

০০০০০০

সমাগত লোকসভা নিৰ্বাচনত সকলো শ্ৰেণীৰ নাগৰিকৰ ভোটদান নিশ্চিত কৰাৰ লক্ষ্যৰে বঙাইগাঁও জিলাতো ছুইপ কোষৰ অধীনত ভালেসংখ্যক কাৰ্যসূচী হাতত লোৱা হৈছে। জিলাখনৰ জৱাহৰ নৱোদয় বিদ্যালয়, বঙাইগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয় আদি শিক্ষানুষ্ঠানত সজাগতা সভা, বাটৰ নাট, কুইজ আদি অনুষ্ঠিত হয়। জিলাখনৰ চাপৰাকাটা গাঁও পঞ্চায়ত, চোকাপাৰা গাঁও পঞ্চায়ত আদিত সজাগতা সভাৰ আয়োজন কৰি ভোটাৰক সজাগ কৰাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০

গছ-বিৰিখে কুঁহিপাত সলাই, কুলি-কেতেকীয়ে গীত জুৰি বসন্তৰ আগজাননী দিয়াৰ লগে লগে অসমবাসী হেঁপাহৰ ৰঙালী বিহু পালনৰ বাবে সাজু হৈছে। উজনিৰ পৰা নামনিলৈ বিহুৰ আখৰা কৰা ডেকাৰ ঢোলৰ গুমগুমনি আৰু নাচনীৰ নাচোনৰ চেৰত উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। বিহুলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি জনসাধাৰণৰ মনত উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। প্ৰতিকূল সময়ৰ প্ৰত্যাহ্বান নেওচি অসমীয়াই বছৰি হেঁপাহৰ উৎসৱটি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰি আহিছে। এইবাৰো চৌদিশে নিৰ্বাচনী ব্যস্ততাৰ মাজতো অসমবাসীৰ বিহুৰ উৎসাহ অটুট আছে। গুৱাহাটী মহানগৰীত বিহুৰ প্ৰস্তুতি অব্যাহত থকাৰ লগতে অসমীয়া নৱবৰ্ষৰ বাবে নতুন সাজ-পাৰ ক্ৰয় কৰি আপোনজনক উপহাৰ দিয়াৰ বাবে জনসাধাৰণে বজাৰসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইপিনে, ভৌগালিক সূচাংক লাভ কৰা গামোচাৰ চাহিদা বৃদ্ধি হোৱাৰ বিপৰীতে প্ৰশাসনে বহিঃৰাজ্যত প্ৰস্তুত কৰা যন্ত্ৰচালিত শালত প্ৰস্তুত কৰা গামোচাৰ আমদানি ৰোধ কৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, ৰাজ্যৰ ঠায়ে ঠায়ে বিহু আৰু জনগোষ্ঠীয় নৃত্য তথা লোকবাদ্য বাদনৰ কৰ্মশালাসমূহ প্ৰায় অন্তিম পৰ্যায়ত উপনীত হৈছে। কোকৰাঝাৰ জিলাৰ বালাজান প্ৰাথমিক বিদ্যালয়ত আয়োজিত সাদিনীয়া লোকনৃত্য আৰু বিহুনাচৰ কৰ্মশালাৰ আজি সামৰণি পৰে। অন্তিম দিনা বিহু, বাগৰুম্বা নৃত্য আৰু কোচ-ৰাজবংশীসকলৰ কুশানগান পৰিৱেশন কৰা হয়। এই কৰ্মশালাত দুই শতাধিক কিশোৰী আৰু যুৱতীয়ে অংশগ্ৰহণ কৰে। মহানগৰীৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা, শিক্ষকগোট আৰু হুঁচৰী দলৰ উদ্যোগত আজি বিহু আদৰণি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত পৰম্পৰাগত খেল-ধেমালি, পিঠা-পনা প্ৰতিযোগিতা, বিহু হুঁচৰী আৰু নৃত্যগীত পৰিৱেশন কৰা হয়। প্ৰতিযোগিতাত বিজয়ীসকলক পুৰস্কাৰো বিতৰণ কৰা হয়।

০০০০০০

অসম আৰক্ষীৰ বিশেষ টাস্ক ফ'ৰ্চে আজি গুৱাহাটী মহানগৰীৰ বশিষ্ঠ থানা এলেকাৰ ৰূপকোঁৱৰ পথত অভিযান চলাই বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ তিনিটা সৰবৰাহকাৰীক আটক কৰে। ধৃত সৰবৰাহকাৰী কেইটা তিনিচুকীয়া জিলাৰ ডিগবৈৰ সুমন তালুকদাৰ, ওদাৰগুৰি জিলাৰ ডিমাকুছিৰ আদুলমি গয়াৰী আৰু ধেমাজি জিলাৰ চিলাপথাৰৰ নেৰছিং বসুমতাৰী বুলি জানিব পৰা গৈছে। টাস্ক ফ'ৰ্চৰ দলটোৱে অভিযুক্ত তিনিটাৰ পৰা এক কিলোগ্ৰাম হেৰ'ইন আৰু তিনিটা ম'বাইল ফোন জব্দ কৰিছে।

ইফালে, গুৱাহাটীৰ ৰে'ল আৰক্ষীয়ে আজি ৰাজধানী এক্সপ্ৰেছত অভিযান চলাই মাদকদ্ৰব্যসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোকজন হৈছে বিহাৰৰ মনোহৰ কুমাৰ ৰাজ। আৰক্ষীৰ দলটোৱে ধৃত লোকজনৰ পৰা চাৰি কিলোগ্ৰাম ওজনৰ কানি জব্দ কৰে।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয় বাৰ এছ'চিয়েছনে আজি ন্যায়াধীশ হিচাপে নতুনকৈ নিযুক্তি লাভ কৰা এন উন্নীকৃষ্ণন নায়াৰক সম্বৰ্ধনা জনায়। মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয়কে ধৰি আন ন্যায়াধীশসকলৰ উপস্থিতিত কেইমাহমান পূৰ্বে নিযুক্তি লাভ কৰা শ্ৰী নায়াৰক সম্বৰ্ধনা জনোৱা হয়। আনহাতে, একেটা অনুষ্ঠানতে অৱসৰপ্ৰাপ্ত দুগৰাকী ন্যায়াধীশ অচিন্ত মল্ল বুজৰবৰুৱা আৰু অজিত বৰঠাকুৰক এছ'চিয়েছনে আনুষ্ঠানিকভাৱে বিদায় জনায়। এই অনুষ্ঠানত উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ, কণিষ্ঠ অধিবক্তসকল উপস্থিত থাকে।

০০০০০০

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ আৰু চৰাইদেউ জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত অহা ১১ এপ্ৰিল তাৰিখে দিনৰ ১০ বজাত চৰাইদেউ জিলাত অৱস্থিত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত এখন ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। সেই দিনা ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰাৰ ৩২৩, ৩৪১, ৩৪২, ৪৪৮, ৫০৬, ৩৫২

আদিৰ অন্তৰ্গত বিভিন্ন গোচৰৰ লগতে পাৰিবাৰিক কন্দলজনিত, দেৱানী, চেক বাউন্স, মটৰ দুৰ্ঘটনা আদি বিভিন্ন গোচৰ নিস্পত্তি কৰা হ'ব। চৰাইদেউ জিলা আইনসেৱা প্ৰাধীকাৰীৰ ফালৰ পৰা ইচ্ছুক ব্যক্তিসকলক নিষ্পত্তি কৰিব বিচৰা অমীমাংসিত গোচৰসমূহৰ বাবে যাৱতীয় নথি-পত্ৰসহ ১১ এপ্ৰিলৰ দিনা আদালতত নিজে উপস্থিত থাকিবলৈ জনোৱা হৈছে।

০০০০০০

পাঞ্জাব কিংছ আজি চণ্ডিগড়ৰ মহাৰাজা যাদবীন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

উল্লেখযোগ্য যে, চানৰাইজাৰ্ছ হায়দৰাবাদ পইণ্ট তালিকাৰ পঞ্চম স্থানত থকাৰ বিপৰীতে পঞ্জাব কিংছ ষষ্ঠ স্থানত আছে।

০০০০০০

লখিমপুৰৰ অৰূপ বুঢ়াগোহাঁয়ে অহা ১২ ৰ পৰা ১৪ এপ্ৰিললৈ লণ্ডনত হ'বলগীয়া ১০৬ সংখ্যক জ্যেষ্ঠ বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষৰ ৫০ বছৰৰ উৰ্ধৰ শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। তেওঁ প্ৰতিযোগিতাৰ ডাবলছত গুজৰাটৰ উন্নীকৃষ্ণন বাৰ্মাৰ সৈতে অৱতীৰ্ণ হ'ব।

০০০০০০

চিৰাং জিলাৰ বাসুগাঁও চহৰৰ সমাজকৰ্মী অলকা মেধিৰ আজি পুৱা গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭২ বছৰ। জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে জড়িত মহিলাগৰাকীৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

০০০০০০

**ঃসমাপ্তঃ**